# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI
0000000000

**Date :** 17-09-2026
**Time :** 9-25 PM

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৬ সংখ্যক জন্মদিন তথা মুখ্যমন্ত্ৰী আৰু দেশৰ প্ৰধানমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰাৰ মুঠ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজিৰেপৰা সেৱা সমৰ্পণ মাহৰ আয়োজন কৰা হৈছে। এই উপলক্ষে দেশৰ প্ৰান্তে প্ৰান্তে সেৱা সংকল্প অভিযানৰ অধীনত ভালেসংখ্যক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

অসমতো আজিৰে পৰা অহা ১৭ অক্টোবৰলৈ কুইজ, আবৃত্তি প্ৰতিযোগিতাকে ধৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে আজি সন্ধিয়া গুৱাহাটীৰ কুমাৰ ভাস্কৰ বাৰ্মা সেতুৰ উত্তৰ পাৰত প্ৰায় ৫ হাজাৰ বন্তি প্ৰজ্বলন কৰা হয়। উত্তৰ গুৱাহাটীৰ মণ্ডল বিজেপিৰ উদ্যোগত আয়োজন কৰা অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। ড০ শৰ্মাই সাংবাদিকৰ আগত বিগত সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শাসনকালত অসমৰ উল্লেখনীয় বিকাশৰ বিষয়ে অৱগত কৰে।

**ৰাইট (চি এম)**

শিৱসাগৰ জিলাৰ শিৱদৌলৰ সন্মুখত বিজেপিৰ জিলা সমিতিৰ উদ্যোগত প্ৰধানমন্ত্ৰীৰ দীৰ্ঘায়ু আৰু সুস্বাস্থ্যৰ কামনাৰে বন্তি প্ৰজ্বলন কৰা হয়।

**সেৱা সমৰ্পণ মাহ**ৰ অংশস্বৰূপে শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। সাংসদ ৰঞ্জিত দত্তৰ উপস্থিতিত এই সভাত মাহজুৰি চলিবলগীয়া পৰিচ্ছন্নতা কাৰ্যসূচী, সেৱা যোগদান, ছাফাই মিত্ৰ সুৰক্ষা আদি বিভিন্ন কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰা হয়।

যোৰহাট, বজালী, কামৰূপ মহানগৰ, ডিব্ৰুগড় আদিকে ধৰি প্ৰায়বোৰ জিলাতে আজি বন্তি প্ৰজ্বলনৰ লগতে **সেৱা সমৰ্পণ মাহ**ৰ অংশ হিচাপে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে।

০০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ বাবে ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি জুবিন দিৱস পালনৰ অংশহিচাপে আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচী আৰম্ভ হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত আজিৰেপৰা এই দিৱস পালন কৰা হৈছে।

সদৌ অসম ছাত্ৰ সন্থাই প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি **পোহৰেৰে চাকি গছি** শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। গুৱাহাটীৰ লতাশিল খেলপথাৰত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থা আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত সেইদিনা সন্ধিয়া ৬ বজাত কেন্দ্ৰীয়ভাৱে এই কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে এই বিষয়ে

প্ৰকাশ কৰি কয়, যে সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিখন জিলা সদৰত ছাত্ৰ-ছাত্ৰী, স্থানীয় শিল্পী, তথা ৰাইজে সমবেত কণ্ঠত মায়াবিনী গীতটি পৰিৱেশন কৰিবলৈ আহ্বান জনাইছে।

ইপিনে, শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে  ৰক্তদান শিবিৰৰ আয়োজন কৰিছে। দলৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে এই বিষয়ে সদৰি কৰি কয় যে ৰাজ্যৰ ৩৯ খন বিজেপি সাংগঠনিক জিলাত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব। ইয়াৰ বাবে ইতিমধ্যে ৰাজ্যিক যুৱ মৰ্চাই প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে বুলি তেওঁ উল্লেখ কৰে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে ১৯ ছেপ্তেম্বৰত প্ৰাণৰ শিল্পীক সুঁৱৰি ৰাজ্যজুৰি জুবিন গাৰ্গ স্মৃতি সন্ধ্যা পালনৰ সিদ্ধান্ত লৈছে। এই সন্দৰ্ভত দলৰ সভাপতি গৌৰৱ গগৈৰ নিৰ্দেশমৰ্মে সাধাৰণ সম্পাদকে জাৰি কৰা জাননী অনুসৰি স্মৃতি সন্ধ্যাৰ অংশ হিচাপে বন্তি প্ৰজ্বলন, শান্তিপূৰ্ণ শোভাযাত্ৰাকে ধৰি অন্যান্য কাৰ্যসূচীৰ আয়োজন কৰা হ'ব।

০০০০০০০

মাজুলী জিলাৰ প্ৰথমখন উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত এন চি চি আৰু এন এছ্ এছ্ৰ স্বেচ্ছাসেৱকসকলে পৰিবেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণৰ পাছতে শিক্ষক গোটৰ সভাপতি ড০ ব্ৰজেন চন্দ্ৰ নেওগে মহাবিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰে। অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষাৰে সমৃদ্ধ কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰা প্ৰায় ৭০ গৰাকী ব্যক্তিৰ আলোকচিত্ৰ মহাব্যিদালয়ৰ প্ৰবেশ তোৰণৰ দুয়োকাষে অস্থায়ীভাৱে স্থাপন কৰি তেওঁলোকক শ্ৰদ্ধা জনোৱাৰ ব্যৱস্থা কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ইতিহাস আৰু সমাজতত্ব বিভাগৰ বিভাগীয় প্ৰাচীৰ-পত্ৰিকা আৰু ছাত্ৰী-নিবাসৰ প্ৰাচীৰ-পত্ৰিকা উন্মোচন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। এই সভাতে মহাবিদ্যালয়খনৰ স্নাতক ষষ্ঠ ষান্মাষিকৰ চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অৰ্থনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ শবনম সমৰ্পিত শইকীয়াক ত্ৰয়োধৰ গগৈ শ্ৰেষ্ঠ স্নাতক বঁটা প্ৰদান কৰা হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৬ সংখ্যক জন্মদিন উপলক্ষে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমে আজি হৃদৰোগত আক্ৰান্ত ৭৬টি শিশুক উন্নত চিকিৎসাৰ বাবে দেশৰ আগশাৰীৰ হৃদৰোগ চিকিৎসা প্ৰতিষ্ঠানলৈ প্ৰেৰণ কৰে। এই শিশুসকলক সম্পূৰ্ণ চৰকাৰী ব্যয়ত জটিল হৃদৰোগৰ চিকিৎসা আৰু অস্ত্ৰোপচাৰ কৰা হ'ব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ চি এন কেন্দ্ৰত মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডা০ বাবুল কুমাৰ বেজবৰুৱাই পতাকা জোকাৰি এই কাৰ্যসূচী শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অধীনত ৰূপায়িত জন্মগত হৃদৰোগ আঁচনিৰ অধীনত এই শিশুসকলক চিকিৎসাৰ সুবিধা প্ৰদান কৰা হ'ব।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ